**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***

-----------------------

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানত  ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। এই উদ্দেশ্যেৰে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ এটা নিৰ্বাচনী ৰোড শ্বোত অংশগ্ৰহণ কৰিব।

আনহাতে ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ বিভিন্ন ঠাইত ডিফু সংসদীয় সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী অমৰ ছিং তিছ্‌ৰ হৈ প্ৰচাৰ চলায়। বোকাজান বিধানসভা সমষ্টিৰ সৰিয়হজানত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলাই ড০ শৰ্মাই সমষ্টিটোত বিজেপি দলৰ জয়লাভৰ সম্পৰ্কত প্ৰবল আত্মবিশ্বাসী বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইয়াৰ পাছত ড০ শৰ্মাই হাওৰাঘাট আৰু বৈঠালাংছত অন্য দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকায়ো ৰূপহী বিধানসভাৰ শিঙাৰি বজাৰত বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱায়ো দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ জিলাখনৰ চাৰিখন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

অগপৰ জ্যেষ্ঠ নেতা তথা কৃষি, পশুপালন আদি বিভাগৰ মন্ত্ৰী অতুল বৰা আৰু দলটোৰ আন এগৰাকী জ্যেষ্ঠ নেতা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি কৰিমগঞ্জ লোকসভা সমষ্টিৰ নিউ-কৰিমগঞ্জৰ শিলচৰ ৰোডত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ নিৰ্বাচনী জনসভাত অংশগ্ৰহণ কৰে। এন ডি এ চৰকাৰৰ দিনতে বৰাক-ব্ৰহ্মপুত্ৰবাসীৰ সমন্বয়ৰ এনাজৰী মজবুত হোৱাৰ লগতে বৰাকবাসীৰ বিকাশৰ অভূতপূৰ্ব ধাৰা দেখিবলৈ সক্ষম হোৱা বুলি মন্ত্ৰী শ্ৰী বৰাই দাবী কৰে।

ইফালে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে আজি গোৱালপাৰাৰ ডুবাপাৰাত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফ আৰু শাসকীয় পক্ষক তীব্ৰ সমালোচনা কৰে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়েও ৰূপহী হাটৰ বৰালীমাৰিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ডিফু লোকসভা সমষ্টিৰ বাবে বৈঠালাংছ' বিধানসভা সমষ্টিৰ চিনথঙত কংগ্ৰেছৰ প্ৰাৰ্থী জয়ৰাম ইংলেঙেও নিৰ্বাচনী প্ৰচাৰ অভিযান চলায়।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

ooooo

কোকৰাঝাৰ লোকসভা সমষ্টিৰ দুবাৰৰ সাংসদ নৱ কুমাৰ শৰণীয়াৰ মনোনয়ন পত্ৰ অবৈধ বুলি নিৰ্বাচন আয়োগে এটা নিৰ্দেশ যোগে ঘোষণা কৰিছে। এই সংক্ৰান্তত কোকৰাঝাৰ সমষ্টিৰ মুঠ ১৬ খন মনোনয়ন পত্ৰৰ ভিতৰত নৱ কুমাৰ শৰনীয়াৰ মনোনয়ন পত্ৰ পৰীক্ষণৰ সময়ত অবৈধতাৰ ভিত্তিত নাকচ কৰা হৈছে বুলি ৰিটাৰ্নিং বিষয়া প্ৰদীপ কুমাৰ দ্বিবেদীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, সমষ্টিটোৰ সাধাৰণ পৰ্যৱেক্ষক, ৰিটাৰ্নিং বিষয়াৰ লগতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰস্তাৱকসকল মনোনয়ন পত্ৰৰ পৰীক্ষণৰ সময়ত উপস্থিত আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰাৰ্থীগৰাকীয়ে অনুসূচীত জনজাতি অন্তৰ্ভুক্ত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন ইতিপূৰ্বে খাৰিজ কৰিছে।

ooooo

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। এই সংক্ৰান্তত ঠায়ে ঠায়ে ভোটাৰ সজাগতাৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হৈছে।

ওদালগুৰি জিলাত ভোটাৰ ৰাইজৰ মাজত ভোটদান সম্পৰ্কীয় সজাগতা সৃষ্টিৰ লক্ষ্যৰে খৈৰাবাৰী ৰে'লৰে গে'টৰ পৰা নাগাছোৱালৈ ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মানৱ শৃংখল গঠন কৰা হয়।

বঙাইগাঁও জিলা প্ৰশাসনে তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে কোনো ধৰণৰ সম্ভাব্য অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ জিলাখনৰ সকলো নথিভূক্ত আৰু পঞ্জীভূক্ত মাৰণাস্ত্ৰ প্ৰশাসনৰ হাতত জমা দিবলৈ নিৰ্দেশ জাৰি কৰে।

বাক্সা জিলাতো জিলা প্ৰশাসনে দৰং-ওদালগুৰি লোকসভা সমষ্টিত ভোটগ্ৰহণৰ বাবে নিয়োজিত ভোটগ্ৰহণকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হৈছে।

ইফালে, কোকৰাঝাৰত নিৰ্বাচনী বিভাগে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কৰ্তব্যৰত আৰক্ষীসকলৰ কাৰণে পোষ্টেল বেলট ভোটদানৰ আয়োজন কৰে।

ooooo

অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি তথা তেজপুৰ পৌৰ সভাৰ প্ৰথম অসমীয়া পৌৰপতি পদ্মনাথ গোহাঁঞি বৰুৱাৰ ৭৮ সংখ্যক মৃত্যু দিৱস তেজপুৰ সাহিত্য সভাৰ উদ্যোগত পালন কৰা হয়। তেজপুৰ সাহিত্য সভাৰ সভাকক্ষত অনুষ্ঠিত স্মৃতি দিৱসৰ কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন কাব্য গ্ৰন্থ আৰু এখন চুটি গল্প সংকলন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। সভাত বাণ থিয়েটাৰ, তেজপুৰ বিশ্ববিদ্যালয় আৰু শোণিতপুৰ জিলা সাহিত্য সভাৰ সৈতে জড়িত ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে প্ৰথম অসমীয়া ঔপন্যাসিকগৰাকীৰ সাহিত্য কীৰ্তি আৰু সামাজিক অৱদানৰ বিষয়ে চৰ্চা কৰে।

ooooo

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আদৰণি সমিতি গঠনৰ উদ্দেশ্যেৰে আজি যোৰহাটত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়।

ooooo

সমাপ্ত